# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-01-2025
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*
- - - - - - - - - - - - - -

১। জোনাই সমজিলাত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ পৰ্যালোচনা।

২। বি টি আৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে বিটিচিত শান্তি, সম্প্ৰীতি আৰু উন্নয়নৰ লক্ষ্যৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ।

৩। পথৰুঘাটৰ কৃষক ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই দৰঙত তিনিদিনীয়াকৈ ছহিদ দিৱস পালন।

৪। অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান হৰমিত সিঙক গৃহ বিভাগৰ ভাৰপ্ৰাপ্ত আৰক্ষী সঞ্চালকপ্ৰধানৰ দায়িত্ব অৰ্পণ। **আৰু**

৫। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈ উত্তৰাখণ্ডত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ উদ্বোধন।

ooooo

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়স্থিত মুখ্যমন্ত্ৰীৰ সচিবালয়ত জোনাই সমজিলাত ৰূপায়ণ হৈ থকা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকত বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলে জোনাই সমজিলাৰ উন্নয়নৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে মুখ্যমন্ত্ৰীক অৱগত কৰে। ডº শৰ্মাই জোনাই ৰাজহচক্ৰত ২০৭ খন ৰাজহ গাঁও থকাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ ভূমি বিষয়ক কাম-কাজসমূহ ক্ষিপ্ৰতাৰে সমাপন কৰাত সহায় হোৱাকৈ এটা নতুন ৰাজহ চক্ৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বিভাগটোৰ সংশ্লিষ্ট বিষয়াক নিৰ্দেশ দিয়ে। তেওঁ লগতে সমজিলাখনৰ গ্ৰামাঞ্চলৰ দ্ৰুত উন্নয়ন সুনিশ্চিত কৰাৰ বাবে আৰু এটা নতুন উন্নয়ন খণ্ড গঠন কৰিবলৈ যাৱতীয় পৰামৰ্শ আগবঢ়ায়। এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ বিষয়ে আলোচনা কৰি ধেমাজি জিলাত ইয়াৰ অধীনত ভূমিপট্টা প্ৰদান কৰাৰ পাছত বৈ যোৱা অতিৰিক্ত ভূমিক চৰকাৰী উন্নয়নমূলক কাম-কাজত ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ব্ৰহ্মপুত্ৰৰ পাৰত মথাউৰি নিৰ্মাণৰ পাছত নতুনকৈ চিনাক্তকৰণ হোৱা ভূমিত বনানিকৰণৰ বিষয়ত গুৰুত্ব আৰোপ কৰি ডº শৰ্মাই এইক্ষেত্ৰত বিশেষকৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বন বিভাগক নিৰ্দেশ দিয়ে। সমজিলাখনৰ শৈক্ষিক কাম-কাজৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী শৰ্মাই উচ্চ প্ৰাথমিক বিদ্যালয়সমূহক উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ অথবা আন উচ্চ মাধ্যমিক বিদ্যালয়ৰ সৈতে সংলগ্ন কৰাৰ বাবেও পৰামৰ্শ গ্ৰহণ কৰে। তেওঁ লগতে চিমেনচাপৰি স্বাস্থ্যকেন্দ্ৰক এখন পূৰ্ণাংগ চিকিৎসালয়লৈ ৰূপান্তৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাত বিবেকানন্দ কেন্দ্ৰৰ আনন্দালয় নামৰ এটা নতুন ভৱন মুকলি কৰে। এই ভৱন মুকলি কৰি মুখ্যমন্ত্ৰীয়ে মহান চিন্তাবিদ আৰু দাৰ্শনিক স্বামী বিবেকানন্দলৈ গভীৰ প্ৰণিপাত জনায়। অনুষ্ঠানত দিয়া ভাষণত ড° শৰ্মাই কয়, যে চাহ জনগোষ্ঠী আৰু জনজাতীয় সমাজৰ সেৱাৰ বাবে উৎসৰ্গিত এই আনন্দালয় ভৱনে দক্ষতা উন্নয়ন প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে জনজাতীয় সমাজখনক আগবঢ়াই লৈ যাব। ৰাজ্যত বৰ্তমান থকা ২২০ টা আনন্দালয় ভৱনে চাহ বাগিচাৰ উঠি অহা প্ৰজন্মৰ লগতে জনজাতীয় সমাজখনলৈ শিক্ষামূলক সেৱা আগবঢ়াই আহিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

বাইট চি এম

oooooo

অহা ১ ফেব্ৰুৱাৰী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ জন্মদিন উপলক্ষে গুৱাহাটী পৌৰ নিগমে **স্বচ্ছতাৰ তিনিদিন** শীৰ্ষক বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে। গুৱাহাটীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত গুৱাহাটী পৌৰনিগমৰ মেয়ৰ মৃগেন শৰণীয়াই কয়, যে মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ৩০ জানুৱাৰীত পৌৰ নিগমৰ অন্তৰ্গত ৯ খনকৈ বজাৰ আৰু শতাধিক ৰাজহুৱা শৌচাগাৰ চাফ-চিকুণ কৰা হ'ব। একেদৰে ৩১ জানুৱাৰীত গুৱাহাটীৰ বিভিন্ন স্থানত থকা মহৎ লোকসকলৰ প্ৰতিমূৰ্তিসমূহ চাফ-চিকুণ কৰি বন্তি প্ৰজ্বলন কৰা হ'ব। পহিলা ফেব্ৰুৱাৰীত নামঘৰ, মন্দিৰকে দৰি ধৰ্মীয় স্থানসমূহত গছপুলি ৰোপণ কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। গৃহ নিৰ্মাণৰ অনুমতিৰ ক্ষেত্ৰত থকা জটিলতাসমূহ আঁতৰ কৰোৱাৰ বাবে ১ ফেব্ৰুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ বিশেষ শিবিৰৰ আয়োজন কৰা হৈছে বুলি উল্লেখ কৰি মেয়ৰ শৰণীয়াই পহিলা মাৰ্চৰ ভিতৰত ১৯৭টা গৃহ নিৰ্মাণৰ অনুমতি প্ৰদান কৰি হ'ব বুলি সংবাদমেলত সদৰি কৰে। মিছন ফ্লাড ফ্ৰি আঁচনিৰ অধীনত ৩০৬টা নলা আৰু ৫ খন নদী পৰিষ্কাৰ কৰা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

oooooo

বি টি আৰ চুক্তি আৰু বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে বিটিচিত শান্তি, সম্প্ৰীতি আৰু উন্নয়নৰ লক্ষ্যৰে আজি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। বড়োলেণ্ড আঞ্চলিক পৰিষদ, বি টি চিৰ উদ্যোগত কোকৰাঝাৰত আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত অনুষ্ঠানৰ প্ৰথম দিনা এটা মটৰচাইকেল সমদল উলিওৱা হয়। আজি বিয়লিৰ ভাগত বডোফা সাংস্কৃতিক প্ৰকল্পত বড়োলেণ্ড এচিভাৰ্ছ এৱাৰ্ড সমাৰোহৰ আয়োজন কৰা হৈছে। এই সমাৰোহত অঞ্চলটোৰ উন্নয়নৰ প্ৰতি বিশেষ বৰঙণি আগবঢ়োৱা বিভিন্ন বিভাগৰ সৈতে জড়িত ৮৫ গৰাকী ব্যক্তিৰ লগতে আন ৫৬ গৰাকী ব্যক্তিক স্বীকৃতি প্ৰদান কৰি সন্মান জনোৱা হ'ব। বি টি আৰ চুক্তিৰ পঞ্চম বাৰ্ষিকীৰ উপলক্ষ্যত বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এইদৰে কয় –

**বাইট-**

কাইলৈ দ্বিতীয় দিনটোত কোকৰাঝাৰ গ্ৰীণ ফিল্ডত আয়োজিত মুকলি সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে তেওঁ হৰিণাগুৰিত নতুনকৈ নিৰ্মাণ কৰা বি টি চি ৰ কাৰ্যবাহী সদস্য আৰু পাৰিষদসকলৰ আবাসিক চৌহদো আনুষ্ঠানিকভাৱে মুকলি কৰিব।

চিৰাং জিলাৰ চিদলী কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি নিখিল বড়ো ছাত্ৰ সন্থাই কেন্দ্ৰীয়ভাৱে দিনজোৰা কাৰ্যসূচীৰে পঞ্চম বি টি আৰ শান্তি চুক্তি দিৱস পালন কৰে। অনুষ্ঠানত বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ উপৰি ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে এই দিৱস উপলক্ষে উলিওৱা সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে। অনুষ্ঠানত নিখিল বড়ো ছাত্ৰ

সন্থাৰ সভাপতি দীপেন বড়োৱে বি টি আৰ চুক্তিৰ আন দফাসমূহ ৰূপায়ণ কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই কয়, যে এই চুক্তিৰ জৰিয়তে বি টি আৰত শান্তিৰ পৰিৱেশ বিৰাজ কৰাৰ লগতে শিক্ষাৰ ক্ষেত্ৰতো যথেষ্ট উন্নতি হৈছে।

তামুলপুৰ জিলাতো আজি বড়ো শান্তি চুক্তিৰ পঞ্চম বাৰ্ষিকী উপলক্ষে ইউ পি পি এল দলে মটৰ চাইকেল সমদল উলিয়ায়। ইয়াৰ পূৰ্বে তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে বি টি আৰ শান্তিচুক্তিৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰা বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক ধন্যবাদ জনায়। তেওঁ লগতে অনাগত দিনত বি টি আৰবাসীয়ে শান্তি আৰু সম্প্ৰীতিৰে অঞ্চলটোক আগবঢ়াই লৈ যোৱাৰ পণ ল'ব লাগে বুলি উল্লেখ কৰে।

ooooo

পথৰুঘাটৰ কৃষক ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদনৰ উদ্দেশ্যে দৰঙত তিনিদিনীয়াকৈ অনুষ্ঠিত ১৩১ সংখ্যক কৃষক ছহিদ দিৱসৰ আজি দ্বিতীয় দিনা বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে পথৰুঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কৃষি মেলা, কৃষক বিদ্ৰোহ বিষয়ৰ গ্ৰন্থ, স্মৰণিকা, আলোকচিত্ৰ ইত্যাদিৰ প্ৰদৰ্শনী আৰু গ্ৰন্থমেলা মুকলি কৰাৰ লগতে কৃষক ছহিদ প্ৰকল্পত এটা শীততাপ নিয়ন্ত্ৰিত প্ৰেক্ষাগৃহ উদ্বোধন কৰা হয়। পুৱাৰ ভাগত পাথৰিঘাটৰ কৃষক ছহিদ বাকৰিত **পথৰুঘাটে ৰিঙিয়ায়** শীৰ্ষক প্ৰাইজমাণি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰবীণ লোকশিল্পীসকলৰ সন্মিলন আৰু শিল্পী পেন্সন প্ৰাপকসকলক সম্বৰ্ধনা জনোৱাকে ধৰি আন বিভিন্ন কাৰ্যসূচীও ৰূপায়ণ কৰা হয়।

কাইলৈ তৃতীয় তথা অন্তিম দিনটোত পুৱাৰ ভাগত কৃষক ছহিদ সমাধিত শ্ৰদ্ধাঞ্জলি, ছহিদ তৰ্পণ আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ পাছত দিনৰ চাৰে ১১ বজাত মুকলি সভাৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া এই সভাত কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক আৰু পৰ্যটন দপ্তৰৰ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, ৰাজ্য চৰকাৰৰ কৃষি মন্ত্ৰী অতুল বৰা আৰু দৰং জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তকে ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। পথৰুঘাটৰ কৃষক বিদ্ৰোহৰ স্মৃতি সুঁৱৰি ডাক বিভাগে প্ৰকাশ কৰা এটা বিশেষ ডাকটিকটো কাইলৈৰ মুকলি সভাতে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। অনুষ্ঠানৰ অংশ হিচাপে কাইলৈ সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে বুলি আকাশবাণীৰ দৰঙৰ সংবাদদাতাই জানিবলৈ দিছে।

উল্লেখযোগ্য যে ব্ৰিটিছ শাসকে বৰ্ধিত হাৰত অন্যায়ভাৱে মাটিৰ খাজনা আৰোপ কৰাৰ বিৰুদ্ধে নিৰস্ত্ৰ প্ৰতিবাদ কৰিবলৈ গৈ ১৮৯৪ চনৰ ২৮ জানুৱাৰীত দৰং জিলাৰ পথৰুঘাটত ১৪০ গৰাকী কৃষক ছহিদে আৰক্ষীৰ গুলীত প্ৰাণ হেৰুৱাইছিল। এই কৃষক ছহিদসকলৰ স্মৃতিত প্ৰতি বছৰে কৃষক ছহিদ দিৱস পালন কৰি অহা হৈছে।

ooooo

বিশিষ্ট গীতিকাৰ তথা আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ ঘোষক কীৰ্তিকমল ভূঞাৰ গীত সাধনাৰ ৭টা দশক সম্পূৰ্ণ হোৱা উপলক্ষে আজি মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত **বাজি থাক বাঁহীটি অ'** শীৰ্ষক এটি অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত অভিনন্দন সমিতিৰ সভাপতি স্বপ্নীল বৰুৱা কাৰ্যকৰী সভাপতি মছদ্দৰ হুছেইন, সম্পাদক তন্মনা চৌধুৰী আৰু আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অসমীয়া গীতি সাহিত্যলৈ আগবঢ়াই অহা অৱদানৰ বাবে কীৰ্তিকমল ভূঞাক অভিনন্দন জনায়। অনুষ্ঠানৰ

সৈতে সংগতি ৰাখি অভিনন্দন গ্ৰন্থ ‘কীৰ্তিকমল’ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে ৫০ বছৰ পূৰ্বে আজিৰ দিনটোতে কীৰ্তিকমল ভূঞাই আকাশবাণীৰ গীতিকাৰ হিচাপে স্বীকৃতি লাভ কৰিছিল। অনুষ্ঠানত বিশিষ্ট লেখক, শিক্ষাবিদ তথা আবৃত্তিকাৰ ড° অমৰজ্যোতি চৌধুৰী, গায়িকা তথা অধ্যাপিকা মৃদুলা দাস আৰু সংগীত পৰিচালক অনুপম চৌধুৰীকে ধৰি অন্যান্য বিশিষ্ট ব্যক্তিসকলে শ্ৰী ভূঞাৰ সৃষ্টিৰাজি সন্দৰ্ভত আলোকপাত কৰে। এই উপলক্ষে এটা মনোজ্ঞ সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়।

০০০০০

মৰিগাঁও জিলাৰ টোপাতলীত থকা কেন্দ্ৰীয় ৰেচম ব’ৰ্ডৰ এৰী মৌলিক বীজ ফাৰ্মত আজি এৰী কৃষি বিজ্ঞান অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনৰ কেন্দ্ৰীয় ৰেচম ব’ৰ্ডৰ এই কৃষি মেলাত মন্ত্ৰী পীযূষ হাজৰিকা উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে গছপুলি ৰোপণৰ লগতে এৰী-মূগাৰ প্ৰদৰ্শনী মুকলি কৰে। তেঁও **এৰী-পলু প্ৰতিপালনৰ খাদ্য বৃক্ষ প্ৰস্তুতৰ কৃষি প্ৰণালী** নামৰ এখন হাতপুথি উন্মোচন কৰি এৰী উৎপাদনেৰে স্বাৱলম্বী হোৱা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৪ গৰাকী কৃষকক পুৰস্কাৰ প্ৰদান কৰি এৰী পালকসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০

শিৱসাগৰত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত হৈছে। তলাতল ঘৰ প্ৰাংগণত স্বৰ্গদেউ চাওলুং চ্যুকাফা সমন্বয় ক্ষেত্ৰ উদ্বোধন আৰু তোৰণ মুকলি কৰি এই সভাৰ শুভাৰম্ভ কৰা হয়। আজিৰ প্ৰথম দিনা উজনিয়াল সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তই সমন্বয় ক্ষেত্ৰ আৰু তোৰণ আনুষ্ঠানিকভাবে মুকলি কৰে। ইয়াৰ পাছত ছাত্ৰ সংগঠনটোৰ সভাপতি উৎপল শৰ্মাই পতাকা উত্তোলন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰীশৰ্মাই অসম চুক্তিৰ প্ৰতিটো দফা ৰূপায়ণৰ দাবী কৰাৰ লগতে দশম শ্ৰেণী পৰ্যন্ত অসমীয়া বিষয়ক বাধ্যতামূলক কৰাৰ প্ৰয়োজন সন্দৰ্ভত আলোকপাত কৰে। কাৰ্যসূচীৰ অংশ হিচাপে প্ৰতিনিধিৰ নাম পঞ্জীয়ন, কুইজ প্ৰতিযোগিতা, প্ৰতিনিধি সভা গৃহ উদ্বোধন, বক্তৃতা প্ৰতিযোগিতা আৰু সন্ধিয়াৰ ভাগলৈ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাইলৈ দ্বিতীয় দিনা সাধাৰণ সভাৰ ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিক প্ৰতিফলিত কৰি বিশাল শোভাযাত্ৰা উলিওৱা হ’ব।

০০০০০

তিনিচুকীয়াৰ ৰ’মেনছ কলেজৰ ৫৯ সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সমাৰোহ আজিৰ পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে আৰম্ভ হৈছে। সমাৰোহৰ উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ মৃগাংক চৌধুৰীয়ে পতাকা উত্তোলন কৰে। ছাত্ৰ একতা সভাৰ দ্বাৰা সমাৰোহৰ শিখা প্ৰজ্বলন কৰাৰ পাছতে উদ্বোধনী ভাষণত অধ্যক্ষ ড০ চৌধুৰীয়ে ছাত্ৰীসকলক ক্ৰীড়াসুলভ মনোভাৱেৰে সকলো খেলত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে ছাত্ৰী একতাৰ সভাৰ সভানেত্ৰী জেৰিনা মৰাণে ছাত্ৰীসকলক ক্ৰীড়াসুলভ মনোভাৱেৰে প্ৰতিটো খেলত অংশগ্ৰহণ কৰাৰ শপতবাক্য পাঠ কৰোৱায়। উদ্বোধনী অনুষ্ঠানৰ পাছতে বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়।

০০০০০

২০১৭ চনৰ ১১ খন পলিটেকনিক প্ৰতিষ্ঠানত নিযুক্তি দিয়া অংশকালীন প্ৰবক্তাসকলে আজি গুৱাহাটীৰ চচলত প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ অসম পলিটেকনিক প্ৰতিষ্ঠাপক ফেকাল্টি সন্থাৰ উদ্যোগত পুৱাৰ ভাগৰ পৰা প্ৰতিবাদ কৰি অংশকালীন প্ৰবক্তাসকলে চাকৰি নিয়মীয়াকৰণ আৰু মাহিলী দৰমহা প্ৰদান কৰাক লৈ অসম চৰকাৰক দাবী জনায়। উল্লেখযোগ্য যে ১৫ দিনৰ ভিতৰত চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই

তেওঁলোকৰ দাবীসমূহৰ সমাধানৰ ব্যৱস্থা নকৰিলে অনিৰ্দিষ্টকাললৈ ধৰ্ণা কাৰ্যসূচী পালন কৰিব বুলি প্ৰকাশ কৰে।

০০০০০

অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনলৈ ৩ দিন বাকী থকা সময়ত অধিৱেশনৰ আদৰণি সমিতিয়ে প্ৰতিনিধিসকলক আদৰিবলৈ সাজু হৈছে। পাঠশালা শিক্ষাপীঠ আদৰ্শ বুনিয়াদী উচ্চ মাধ্যমিক বিদ্যালয়ত ৩১ জানুৱাৰীৰ পৰা ৪ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া দ্বি-বাৰ্ষিক পাঠশালা অধিৱেশনৰ অসম সাহিত্য সভাৰ ২০২৩-২৫ বৰ্ষৰ অষ্টম তথা অন্তিমখন কাৰ্যনিৰ্বাহক সভা ৩১ জানুৱাৰীত অনুষ্ঠিত হ'ব। আনহাতে ১ ফেব্ৰুৱাৰীৰ সন্ধিয়া হ'বলগীয়া প্ৰতিনিধি সভাখনলৈ প্ৰতিগৰাকী কাৰ্যনিৰ্বাহক সদস্য তথা প্ৰতিনিধিকে কিউ আৰ ক'ড ব্যৱস্থাৰে বৈঠকৰ স্থান উলিয়াই লোৱাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য এইবাৰ অসম সাহিত্য সভাৰ প্ৰায় ৩০০ কাৰ্যনিৰ্বাহক সদস্য আৰু পাঠশালা অধিৱেশনলৈ প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। প্ৰতিনিধিসকলৰ থকা-খোৱাৰ ব্যৱস্থাৰ উপৰিও ঘৰলৈ উভতি যোৱাৰ সময়ত কম্বল, গাৰু আৰু বিছনা চাদৰযুক্ত এটা বেগ লৈ যাব পাৰিব বুলি আদৰণি সমিতিয়ে জানিবলৈ দিয়ে।

০০০০০০

উত্তৰাখণ্ডত কাইলৈৰ পৰা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত হ'ব। ডেৰাডুনৰ আন্তৰ্জাতিক ক্ৰিকেট ষ্টেডিয়ামত কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ক্ৰীড়া মহোৎসৱ আনুষ্ঠানিকভাৱে মুকলি কৰিব। অনুষ্ঠানত কমনৱেল্‌থ গেমছ ফেডাৰেচনৰ সভাপতি ক্ৰিছ জেনকিনছ, উত্তৰাখণ্ডৰ ৰাজ্যপাল গুৰমিত সিং, মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামী, ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পিটি উষাসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। অসম অলিম্পিক সন্থাৰ হৈ সম্পাদক লক্ষ্য কোঁৱৰে উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে ভাগ ল'ব। এইবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত মুঠ ৩৭ খন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল আৰু বিভাগীয় দলে অংশগ্ৰহণ কৰিব।

এই ক্ৰীড়া সমাৰোহৰ শুভ উদ্বোধনী কাইলৈ হ'ব যদিও ইতিমধ্যে বিভিন্ন শিতানৰ প্ৰতিযোগিতাসমূহ আৰম্ভ হৈছে।

০০০০০

সমাপ্ত